REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

Date : 03-NOV-2026 **Time :** 1845 HRS

Assamese Evening Bulletin
HEADLINES (6.45 PM)

::::::::::::::::::

১। পশ্চিম এছিয়াৰ যুদ্ধৰ বাবেহে শেহতীয়াকৈ ৰাজ্যত সাময়িকভাৱে বিদ্যুৎ মাচুল সামান্য বৃদ্ধি হৈছে বুলি মুখ্যমন্ত্রীৰ প্ৰকাশ।

২। ডিব্রু-চৈখোৱা ৰাষ্ট্রীয় উদ্যানত খনন সন্দৰ্ভত অইলে জনোৱা আবেদন সন্দৰ্ভত কেন্দ্রীয় আৰু ৰাজ্য চৰকাৰৰ পৰা উচ্চতম ন্যায়ালয়ৰ সঁহাৰিৰ আহ্বান।

৩। মিছিং স্বায়ত্ত শাসিত পৰিষদ আৰু সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনৰ দিন ঘোষণা।

৪। ৰাজ্যত হাতী-মানুহৰ সংঘাত ৰোধৰ বাবে গজমিত্র আঁচনিৰ অধীনত ৰাজ্য চৰকাৰৰ বিশেষ ব্যৱস্থা।

আৰু

৫। অকলেণ্ডত কাইলৈ ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ পাঁচখনীয়া এদিনীয়া ক্রিকেট শৃংখলাৰ প্রথমখন খেল।

oooooo

মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শর্মাই পশ্চিম এছিয়াৰ যুদ্ধৰ বাবেহে শেহতীয়াকৈ ৰাজ্যত বিদ্যুৎ মাচুল সামান্য বৃদ্ধি পাইছে বুলি প্রকাশ কৰিছে। তেওঁ লগতে এই বৃদ্ধি ক্ষণস্থায়ী বুলিও উল্লেখ কৰিছে। আজি গুৱাহাটীৰ বশিষ্ঠৰ অটল বিহাৰী বাজপেয়ী ভৱনত অনুষ্ঠিত ৰাজ্যিক বিজেপিৰ ক'ৰ সমিতিৰ বৈঠকৰ অন্তত মুখ্যমন্ত্রী ড০ শর্মাই সাংবাদিকৰ আগত এই কথা প্রকাশ কৰে।

উল্লেখযোগ্য যে ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত ক'ৰ সমিতিৰ এই বৈঠকত নতুন প্রভাৰী আৰু সহ-প্রভাৰীৰ উপস্থিতিত ৰাজ্যৰ স্বায়ত্ত শাসিত পৰিষদ, নিগম নিকায়ৰ নিৰ্বাচনকে ধৰি আন কেইবাটাও বিষয়ত গুৰুত্বপূর্ণ সিদ্ধান্ত লোৱা হয়। সভাত মিছিং স্বায়ত্ত শাসিত পৰিষদ, সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনৰ বিষয়েও আলোচনা কৰা হয়। এই নিৰ্বাচন দলীয় প্রতীক চিহ্নত অনুষ্ঠিত নহয় বাবে দলীয় নেতৃত্ব নিৰপেক্ষ হৈ থাকিব বুলি মুখ্যমন্ত্রী ড০ শর্মাই প্রকাশ কৰে। তেওঁ লগতে এপ্রিল-মে' মাহত গুৱাহাটী পৌৰ নিগমৰ নিৰ্বাচন অনুষ্ঠিত হ'ব বুলিও কয়। সেই অনুসৰি গুৱাহাটী পৌৰ নিগমকে ধৰি আন নিগম নিকায়ৰ নিৰ্বাচন সন্দৰ্ভত এই বৈঠকত আলোচনা কৰা হয় বুলি উল্লেখ কৰি মুখ্যমন্ত্রী শর্মাই এই নিৰ্বাচনৰ প্রস্তুতি আৰম্ভ কৰাৰ বাবে আজিৰ বৈঠকত সিদ্ধান্ত লোৱা হয় বুলি উল্লেখ কৰে। তদুপৰি তেওঁ শিলচৰ পৌৰ নিগমৰ মেয়ৰ আৰু উপ-মেয়ৰ নিৰ্বাচনৰ বাবে ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াক কর্তৃত্ব প্রদান কৰাৰ কথাও প্রকাশ কৰে। এই বৈঠকৰ আন সিদ্ধান্তৰ বিষয়ে সদৰি কৰি মুখ্যমন্ত্রী ড০ শর্মাই নতুন বিধায়কসকলৰ বাবে ১৯ আৰু ২০ ডিচেম্বৰত প্রশিক্ষণ শিবিৰৰ আয়োজন কৰাৰ কথাও জানিবলৈ

দিয়ে। ইপিনে মুখ্যমন্ত্রীগৰাকীয়ে দেশৰ বুলেট ট্রেইনৰ মানচিত্রত গুৱাহাটী সোমোৱাটো নিশ্চিত হোৱা বুলিও জনায়। সাংবাদিকৰ এটা প্রশ্নৰ উত্তৰত মুখ্যমন্ত্রী ড০ শর্মাই কয় যে প্রধানমন্ত্রীয়ে গুৱাহাটীলৈ বুলেট ট্রেইন চলোৱাৰ সিদ্ধান্তত অনুমোদন জনাইছে। অৱশ্যে ইয়াৰ বাবে সময়ৰ প্রয়োজন হ'ব বুলিও মুখ্যমন্ত্রীয়ে কয়।

বাইট (চি এম)-২

আজিৰ এই বৈঠকত ৰাজ্যিক প্রভাৰী মংগল পাণ্ডে, সহ-প্রভাৰীদ্বয় ফাংনৌন কন্যাক আৰু মনোজ টিগ্গা, উত্তৰ-পূবৰ সহ সমন্বয়ক ৰাজীৱ বাববৰসহ আন জ্যেষ্ঠ নেতৃবৃন্দও উপস্থিত আছিল।

০০০০০০০০

উচ্চতম ন্যায়ালয়ে ডিব্রু-চৈখোৱা ৰাষ্ট্রীয় উদ্যানৰ ভূ-পৃষ্ঠৰ তলৰ পৰা EXTENDED REACH DRILLING অর্থাৎ দূৰৰ পৰাই খনন চলোৱাৰ বিশেষ প্রযুক্তিৰে হাইড্র'কার্বন আহৰণ কৰাৰ প্রস্তাৱ প্রত্যাখানৰ সিদ্ধান্তক প্রত্যাহ্বান জনাই অইল ইণ্ডিয়া লিমিটেডে জনোৱা আবেদন সন্দর্ভত কেন্দ্রীয় পেট্র'লিয়াম আৰু প্রাকৃতিক গেছ মন্ত্র্যালয় আৰু অসম চৰকাৰৰ পৰা সঁহাৰি বিচাৰিছে। ৰাজহুৱা খণ্ডত কোম্পানীটোৱে তিনিচুকীয়া জিলাৰ বনাঞ্চলৰ ০ দশমিক ০-৬-৯ হেক্টৰ ভূমিৰ ব্যৱহাৰৰ অনুমতি নিদিয়াৰ বাবে লোৱা সিদ্ধান্তক প্রত্যহ্বান জনায় দাখিল কৰা আবেদনখনক ৰাষ্ট্রীয় উদ্যানৰ বাহিৰৰ এলেকাৰ পৰা ভূমিৰ তলেৰে প্রায় চাৰে তিনিহাজাৰৰ পৰা চাৰিহাজাৰ মিটাৰ গভীৰতাত সঞ্চিত হাইড্র'কার্বনৰ অন্বেষণ কৰা হ'ব বুলি দাবী কৰিছে। মুখ্য ন্যায়াধীশ সূর্য্যকান্ত আৰু ন্যায়াধীশ জয়মাল্য বাগ্চী আৰু ভি মোহনাক লৈ গঠিত এখন বিচৰপীঠে শুনানি কালত কয় যে, পৰিৱেশ, বন আৰু জলবায়ু পৰিবর্তন মন্ত্র্যালয়কে ধৰি সংশ্লিষ্ট কর্তৃপক্ষসমূহৰ গৱেষণা আৰু উন্নয়ন প্রতিবেদনৰ ভিত্তিত হাইড্র'কার্বন অন্বেষণৰ অনুমতি প্রদানৰ বিষয়টো বিবেচনা কৰা হ'ব। ন্যায়ালয়ে ১৭ নৱেম্বৰত পৰৰ্বতী শুনানিৰ দিন ধার্য্য কৰে।

০০০০০০

ৰাজ্যিক নির্বাচন আয়োগে মিছিং স্বায়ত্তশাসিত পৰিষদ আৰু সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ নির্বাচনৰ দিন ঘোষণা কৰিছে। এই অনুসৰি মিছিং স্বায়ত্তশাসিত পৰিষদৰ ৪০ টা সমষ্টিত আৰু সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ ৩২ টা সমষ্টিত নির্বাচন অহা ৩০ নৱেম্বৰত অনুষ্ঠিত হ'ব। ১০ নৱেম্বৰ মনোনয়ন দাখিলৰ অন্তিম দিন ধার্য কৰা হৈছে। ১২ নৱেম্বৰত মনোনয়ন পত্র সমূহ পৰীক্ষা কৰাৰ লগতে বৈধ প্রার্থীৰ তালিকা প্রকাশ কৰা হ'ব। ১৬ নৱেম্বৰ মনোনয়ন পত্র প্রত্যাহাৰৰ অন্তিম দিন আৰু সেইদিনাই প্রার্থীৰ চূড়ান্ত তালিকা প্রকাশ কৰা হ'ব। ৩০ নৱেম্বৰৰ পুৱা চাৰে ৭ বজাৰ পৰা বিয়লি চাৰি বজালৈ ভোটগ্রহণ অনুষ্ঠিত হ'ব। প্রয়োজন সাপেক্ষে ১ ডিচেম্বৰত পুনৰ ভোট গ্রহণ কৰা হ'ব। ৩ ডিচেম্বৰৰ পুৱা ৮ বজাৰ পৰা ভোটগণনা অনুষ্ঠিত হ'ব। নির্বাচনী প্রক্রিয়া সম্পূর্ণ কৰাৰ অন্তিম দিন ৫ ডিচেম্বৰ ধার্য্য কৰা হৈছে।

মিছিং স্বায়ত্ত শাসিত পৰিষদৰ নির্বাচনত ৬ লাখ ৩৫ হাজাৰ ৪৯৩ গৰাকী ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰিব পাৰিব। ইয়াৰে ৩ লাখ ১৭ হাজাৰ ২৯৭ গৰাকী পুৰুষ আৰু ৩ লাখ ১৮ হাজাৰ ১৯৪ গৰাকী মহিলা ভোটদাতা। নির্বাচনৰ বাবে এহেজাৰ ৩২ টা ভোট গ্রহণ কেন্দ্র স্থাপন কৰা হ'ব। আয়োগে প্রতিগৰাকী প্রার্থীৰ নির্বাচনী ব্যয়ৰ সর্বোচ্চ সীমা ২ লাখ টকালৈকে ধার্য্য কৰিছে। ইপিনে সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ বাবে এক লাখ ৬৩ হাজাৰ ৯৬৬ গৰাকী ভোটদাতাই গণতান্ত্রিক অধিকাৰ সাব্যস্ত কৰিব পাৰিব। ইয়াৰে

৭৯ হাজাৰ ২৯৫ জন পুৰুষ আৰু ৮৪ হাজাৰ ৬৬৭ গৰাকী মহিলা ভোটাদাতা। নিৰ্বাচন সন্দৰ্ভত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এইদৰে কয়-

(বাইট)

oooooooo

ৰাজ্যত কাইলৈৰ পৰা বন বিভাগে বান্দৰৰ গণনা আৰম্ভ কৰিব। কাইলৈ পৰীক্ষামূলক ভাৱে কামৰূপ মহানগৰ, গোৱালপাৰা, দৰং আৰু গোলাঘাট জিলাত এই গণনা কৰা হ'ব। পৰৱৰ্তী সময়ত অন্যান্য জিলাতো এই গণনা চলিব। বান্দৰৰ প্ৰজনন নিয়ন্ত্ৰণৰ বাবে এই প্ৰচেষ্টা লোৱা হৈছে বুলি বনমন্ত্ৰী জয়ন্ত মল্লবৰুৱাই এখন সংবাদমেলত প্ৰকাশ কৰে।

ইপিনে হাতী-মানুহৰ সংঘাত ৰোধ কৰাৰ বাবেও বন বিভাগে বিশেষ ব্যৱস্থা লৈছে। এতিয়াৰে পৰা হাতী মানুহৰ সংঘাতৰ ফলত কোনো লোকৰ মৃত্যু হ'লে মৃতকৰ পৰিয়াললৈ ৬ লাখ টকাৰ ক্ষতিপূৰণ দিয়া হ'ব। দুদিনৰ ভিতৰতে এই ধনৰাশি প্ৰদান কৰা হ'ব। আনহাতে বনৰীয়া হাতীয়ে শস্য নষ্ট কৰিলে ৮ হাজাৰ টকাকৈ ক্ষতিপূৰণ দিয়া হ'ব।

(বাইট) (জয়ন্ত মল্লবৰুৱা)

তদুপৰি হাতী মানুহৰ সংঘাত ৰোধৰ উদ্দেশ্যে গজমিত্ৰ আঁচনি গ্ৰহণ কৰা হৈছে আৰু আঁচনিখনৰ সৈতে জড়িতসকলৰ মাননী এহেজাৰ টকালৈ বৃদ্ধি কৰা হৈছে বুলি বন আৰু পৰিৱেশ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই প্ৰকাশ কৰিছে। গুৱাহাটীৰ পাঞ্জাবাৰীত আজি বন বিভাগৰ জ্যেষ্ঠ বিষয়া আৰু জিলা বন বিষয়াসকলৰ সৈতে অনুষ্ঠিত বৈঠকৰ অন্তত এখন সংবাদমেলত মন্ত্ৰীগৰাকীয়ে কয় যে ৰাজ্যত সম্প্ৰতি ৮১টা গজমিত্ৰৰ দল আছে। তেওঁ কয় যে এনে দলৰ সংখ্যা শীঘ্ৰে ১৫০ৰ পৰা ২০০ লৈ বৃদ্ধি কৰা হ'ব। ইয়াৰ বাবে বনৰক্ষী বিষয়াক প্ৰয়োজনীয় নিৰ্দেশ দিয়া হৈছে। গজমিত্ৰৰ লগত তিনিজনকৈ বনকৰ্মী থাকিব বুলি তেওঁ উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে ৮ নৱেম্বৰৰ ভিতৰত নতুন গজমিত্ৰৰ দলসমূহ গঠন হ'ব। ৰাজ্যত ব্যাপক হাৰত অবৈধ কাঠফলা মিল জব্দ হোৱা সন্দৰ্ভত মত প্ৰকাশ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে চৰকাৰে বিষয়টো গুৰুত্ব সহকাৰে লৈছে। তেওঁ কয় যে এই সমস্যা দূৰ কৰাৰ বাবে ৰাজ্য চৰকাৰে কাঠফলা মিলৰ অনুজ্ঞা পত্ৰ প্ৰদানৰ দিহা কৰিছে। তেওঁ কয়, যে কাঠফলা মিল স্থাপনৰ আগ্ৰহী ব্যক্তিয়ে ৩০ নৱেম্বৰ পৰ্যন্ত আবেদন কৰিব পাৰিব।

ooooo

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত সাক্ষীৰ সাক্ষ্য গ্ৰহণ প্ৰক্ৰিয়া অব্যাহত আছে। আজি এটা ব্যক্তিগত বৈদ্যুতিন সংবাদমাধ্যমৰ স্বত্বাধিকাৰ সঞ্জীৱ নাৰায়ণে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰ সংক্ৰান্তত ফাষ্টট্ৰেক আদালতত সাক্ষ্য প্ৰদান কৰে। সাক্ষ্য প্ৰদানকালত অভিযুক্ত সিদ্ধাৰ্থ শৰ্মা, শ্যামকানু মহন্ত আৰু অমৃতপ্ৰভা মহন্তৰ অধিবক্তাই সাক্ষী সঞ্জীৱ নাৰায়ণক জেৰা কৰে। ইপিনে জুবিন গাৰ্গৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাৰ কৰ্মচাৰী মৃদুপৱন পাঠকে আজি ফাষ্টট্ৰেক আদালতত সাক্ষ্য প্ৰদানৰ বাবে হাজিৰ হয়। কিন্তু আজি আদালতত পাঠকৰ সাক্ষ্য গ্ৰহণ প্ৰক্ৰিয়া আৰম্ভ নহ'ল। আদালতে কাইলৈ পুৱা চাৰে ১০ বজাত পাঠকক সাক্ষ্য প্ৰদানৰ বাবে হাজিৰ হ'বলৈ নিৰ্দেশ জাৰি কৰিছে।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে ২১ হাজাৰ ৮০০ কোটি টকা ব্যয়সাপেক্ষ পুনে মেট্ৰ' প্ৰকল্পৰ এটা অংশ মুকলি কৰাৰ লগতে আন অংশৰ আধাৰশিলা স্থাপন কৰে। এই অনুষ্ঠানত মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নবিচে অংশগ্ৰহণ কৰে। এই উপলক্ষে আয়োজিত জনসভাত দিয়া ভাষণত প্ৰধানমন্ত্ৰীয়ে কয় যে পুনে সদায়ে দেশৰ সমৃদ্ধিশালী চিন্তা-চৰ্চাৰ কেন্দ্ৰ হিচাপে পৰিগণিত হৈ আহিছে। সম্প্ৰতি পুনে বিকশিত ভাৰতৰ নতুন দিশ নিৰ্দেশনা দিছে বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। তথ্য প্ৰযুক্তি, উদ্ভাৱন, কাৰিকৰী দিশৰ পৰা আৰম্ভ কৰি বিভিন্ন ক্ষেত্ৰত পুনেই নতুন প্ৰজন্মৰ বাবে সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিছে বুলি প্ৰধানমন্ত্ৰীয়ে মত প্ৰকাশ কৰে। আজি মুকলি কৰা এই ব্যৱস্থাই পুনেৰ জনসাধাৰণক যাতায়াতৰ ক্ষেত্ৰত বিশেষ সুবিধা প্ৰদান কৰিব বুলি প্ৰধানমন্ত্ৰীয়ে মত প্ৰকাশ কৰে।

শ্ৰীমোদীয়ে আজি ৮ হাজাৰ ৩০০ কোটিতকৈও অধিক পুঁজিৰে নিৰ্মাণ কৰি উলিওৱা পিংক লাইন হিচাপে জনাজাত ৩ নং পুনে মেট্ৰ' লাইন মুকলি কৰে। প্ৰযুক্তিৰ উদ্ভাৱন আৰু আধুনিক যোগাযোগ ব্যৱস্থাৰ জৰিয়তে পুনেৰ চহৰ অঞ্চলৰ যাতায়তৰ আন্তঃগাঁথনি ব্যৱস্থা শক্তিশালী কৰাৰ ক্ষেত্ৰত এই প্ৰকল্প এটা গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে বিবেচিত হৈছে। প্ৰায় ২৩ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই পিংক লাইনে বহু গুৰুত্বপূৰ্ণ অঞ্চলক সামৰি লৈছে। এই কৰিডৰে হিঞ্জিৱাড়ী আই টি হাব আৰু শিবাজী নগৰৰ মাজত মেট্ৰ' ৰে'ল সেৱাৰ সুবিধা প্ৰদান কৰিব। এই কৰিডৰৰ সৈতে বৰ্তমানৰ মেট্ৰ' নেটৱৰ্ক সংযোজিত হোৱাৰ ফলত পুনেৰ বিভিন্ন অঞ্চলত সুচল যোগাযোগ ব্যৱস্থা গঢ়ি তুলিব। ইয়াৰ ফলত ব্যক্তিগত বাহনৰ ওপৰত থকা নিৰ্ভৰশীলতাৰ লগতে যান-জঁটৰ সমস্যা হ্ৰাস পাব আৰু গুৰুত্বপূৰ্ণ ব্যৱসায়িক আৰু আৱাসিক অঞ্চলসমূহলৈ যোগোযোগ ব্যৱস্থা সুচল হ'ব বুলি আশা কৰা হৈছে। উল্লেখযোগ্য যে, এই পিংক লাইন সম্পূৰ্ণ মহিলা ৰে'ল চালকসকলৰ জৰিয়তে পৰিচালিত হ'ব। ৰে'ল যাতায়তৰ ক্ষেত্ৰত এয়া হৈছে প্ৰথমটো সম্পূৰ্ণ মহিলা কেন্দ্ৰিক ব্যৱস্থা। ৰে'ল যাতায়াতৰ বাবে প্ৰয়োজন হোৱা বিদ্যুতৰ ৩০ শতাংশ সৌৰ শক্তিৰ জৰিয়তে পূৰণ কৰা হ'ব।

প্ৰধানমন্ত্ৰীয়ে পুনে মেট্ৰ'ৰ দ্বিতীয় পৰ্য্যায়ৰ আধাৰশিলাও স্থাপন কৰে। প্ৰায় ১৩ হাজাৰ ৫০০ কোটি টকা ব্যয়েৰে এই প্ৰকল্পক বিকশাই তোলা হ'ব। ইয়াৰফলত চহৰখনত মেট্ৰ' ৰে'ল সেৱা সম্প্ৰসাৰিত হোৱাৰ লগতে আৱাসিক, ব্যৱসায়িক আৰু তথ্য প্ৰযুক্তিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ স্থানসমূহৰ সৈতে যোগাযোগ ব্যৱস্থা শক্তিশালী হ'ব। দ্বিতীয় পৰ্য্যায়ত টুএ, টুবি লাইনে প্ৰায় ১৩ কিলোমিটাৰ পথ সামৰি ল'ব। টুএ মেট্ৰ' লাইনে ভেনাজৰ পৰা চান্দনিচৌক আৰু টুবি মেট্ৰ'লাইনে ৰামৱাড়ীৰ পৰা ভিট্টলবাড়ী অঞ্চলক সামৰি ল'ব।

oooooo

ৰাজ্যৰ খাদ্য সুৰক্ষা বিভাগে মানহীন পনিৰ আৰু দুগ্ধজাতৰ সামগ্ৰীৰ বিক্ৰী আৰু বিতৰণত নিষেধাজ্ঞা জাৰি কৰিছে। ৩১ অক্টোবৰত বিভাগে জাৰি কৰা নিৰ্দেশ অনুসৰি পনিৰৰ নামত বিক্ৰী কৰা এনে সামগ্ৰী য'ত গাখীৰৰ চৰ্বিৰ সলনি উদ্ভিদজাত তেল বা অন্য অনুমোদন নজনোৱা উপাদান ব্যৱহাৰ কৰা হৈছে সেইবোৰৰ উৎপাদন, মজুত, পৰিবহণ আৰু বিক্ৰীৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। খাদ্য সুৰক্ষা বিভাগৰ পৰীক্ষাত এনে অনিয়ম ধৰা পৰাৰ পাছত জনস্বাস্থ্য আৰু গ্ৰাহৰ স্বাস্থ্যৰ প্ৰতি লক্ষ্য ৰাখি এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। হোটেল, ৰেস্তোঁৰা আৰু খাদ্য ব্যৱসায়িক প্ৰতিষ্ঠানসমূহকো এই নিৰ্দেশনা কঠোৰভাৱে পালন কৰিবলৈ কোৱা হৈছে। উল্লেখযোগ্য যে এই নিষেধাজ্ঞা এবছৰৰ বাবে বাহাল থাকিব।

oooooooo

লখিমপুৰ জিলা প্ৰশাসনে কাইলৈ জিলাখনৰ বিভিন্ন স্থানত উচ্ছেদ অভিযান চলাব। জিলা আয়ুক্তই ইতিপূৰ্বে জাৰি কৰা জাননী অনুসৰি কাইলৈ বিহপুৰীয়া ৰাজহ চক্ৰৰ ১ নম্বৰ ধৰ্মপুৰত, ৬ নৱেম্বৰত উত্তৰ লখিমপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত লীলাবাৰিৰ বালিজানত, ১২ নৱেম্বৰত কদম ৰাজহ চক্ৰৰ অন্তৰ্গত বগীনদী পি জি আৰ আৰু ১৪ নৱেম্বৰত উত্তৰ লখিমপুৰ ৰাজহ চক্ৰৰ কৈলামাৰী আৰু বৰবিলত উচ্ছেদ অভিযান চলোৱা হ'ব। চৰকাৰী ভূমিত অবৈধভাৱে দখল কৰি ঘৰ-দুৱাৰ নিৰ্মাণ কৰা লোকসকললৈ উচ্ছেদৰ জাননী ইতিমধ্যে প্ৰেৰণ কৰা হৈছে।

oooooooo

গুৱাহাটী পৌৰ নিগমে অনুষ্ঠিত কৰা স্বচ্ছ দুৰ্গা পূজা প্ৰতিযোগিতা ২০২৬ৰ বিজয়ী পূজা সমিতিসমূহক আজি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ প্ৰেক্ষাগৃহত আয়োজিত এটা অনুষ্ঠানত পুৰস্কাৰসমূহ প্ৰদান কৰা হয়। এই প্ৰতিযোগিতাত গুৱাহাটী মহানগৰীৰ মুঠ ১৭৫ খন পূজা সমিতিক তেওঁলোকৰ উৎকৃষ্ট প্ৰচেষ্টাৰ বাবে স্বীকৃতি প্ৰদান কৰা হয়। ইয়াৰ ভিতৰত ২৫ খন সমিতিয়ে প্ৰথম পুৰস্কাৰ হিচাপে ১০ হাজাৰ টকা, ৫০ খন সমিতিয়ে দ্বিতীয় পুৰস্কাৰ হিচাপে ৭ হাজাৰ টকা আৰু ১০০ খন সমিতিয়ে তৃতীয় পুৰস্কাৰ হিচাপে ৫ হাজাৰ টকাকৈ লাভ কৰে। এই পুৰস্কাৰ প্ৰদানৰ অনুষ্ঠানত মন্ত্ৰী কৌশিক ৰায়, গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ বিজুলী কলিতা মেধি, বিধায়ক বিজয় গুপ্তা, বিধায়ক প্ৰদ্যুৎ বৰদলৈ, গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়া, উপ-মেয়ৰ স্মিতা ৰয়, মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰীকে ধৰি ভালেমান বিশিষ্ট লোকে ভাগ লয়।

ooooooooo

লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱাই আজি ধেমাজি নগৰৰ বেচৰকাৰী বাছ আস্থানস্থিত অংগনৱাড়ী কেন্দ্ৰ আৰু নতুন নগৰ অংগনৱাড়ী কেন্দ্ৰ পৰিদৰ্শন কৰি কেন্দ্ৰ দুটাৰ সামগ্ৰিক পৰিৱেশ আৰু কাৰ্যকলাপ পৰ্যবেক্ষণ কৰে। সাংসদ বৰুৱাই কণ কণ শিশুসকলৰ মাজত পৰিষ্কাৰ-পৰিচ্ছন্নতা বৰ্তাই ৰখাৰ বাবে ডাষ্টবিন ব্যৱহাৰৰ প্ৰয়োজনীয়তা, পথ সুৰক্ষাৰ নিয়মসমূহ মানি চলা আৰু পথ পাৰ হওঁতে জেব্ৰা ক্ৰ'ছিং ব্যৱহাৰ কৰাৰ গুৰুত্ব সম্পৰ্কে কয়। সাংসদ বৰুৱাৰ সৈতে এই কাৰ্যসূচীত ধেমাজিৰ জিলা আয়ুক্ত ৰাহুল সুৰেশ জাৱিৰ, সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়া, ধেমাজি পৌৰসভাৰ কাৰ্যবাহী বিষয়া আৰু জিলা পৰিবহণ বিভাগৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে। সাংসদগৰাকীয়ে আজি ধেমাজি টাউন মধ্য ইংৰাজী বিদ্যালয় আৰু বৰাচিৰা মধ্য ইংৰাজী বিদ্যালয় পৰিদৰ্শন কৰি বিদ্যালয় দুখনৰ শিক্ষাৰ্থী, অভিভাৱক আৰু শিক্ষকসকলৰ সৈতে মত বিনিময় কৰে।

ooooooo

ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ পাঁচখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল কাইলৈ অকলেণ্ডৰ ইডেন পাৰ্কত অনুষ্ঠিত হ'ব। ভাৰতীয় সময় অনুসৰি কাইলৈ পুৱা চাৰে ৭ বজাত খেলখন আৰম্ভ হ'ব। উল্লেখযোগ্য যে ২০২৭ চনত হ'বলগীয়া এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰাক্ক্ষণত ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ এই শৃংখলা গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে। উল্লেখযোগ্য যে এই প্ৰতিযোগিতাত ভাৰতৰ যশপ্ৰীত বুমৰা আৰু হাৰ্দিক পাণ্ডিয়াই অংশগ্ৰহণ নকৰে। ইফালে, নিউজিলেণ্ডৰ ৰাশ্বিন ৰবীন্দ্ৰ আৰু মাৰ্ক ছেপমেনেও খেলখনত অংশগ্ৰহণ কৰিব নোৱাৰে।

ooooo